# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন প্ৰযুক্তিগত আহিলাৰ বাবে ভাৰতত উৎপাদিত চিপসমূহে দেশৰ আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে।

২। ভাৰত আৰু মৰিচাছে ৪ খনকৈ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰি বিভিন্ন খণ্ডত দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি নতুন দিল্লীত আকাশবাণী বাতৰি আৰু দূৰদৰ্শন বাতৰিৰ ন ৰূপত সজাই তোলা ৱেবছাইট মুকলি কৰে।

৪। ভাৰতীয় জনতা পাৰ্টীয়ে অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। ***আৰু***

৫। দেলহী কেপিটেলছ কিছুসময়ৰ পাছত দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন প্ৰযুক্তিগত আহিলাৰ বাবে ভাৰতত উৎপাদিত চিপসমূহে দেশৰ আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে ছেমি কণ্ডাক্টৰ উৎপাদনৰ ক্ষেত্ৰখনত ভাৰত শীঘ্ৰেই এটা গোলকীয় কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে।

মৰিগাঁও জিলাৰ জাগীৰোডকে ধৰি দেশৰ ৩ ঠাইত প্ৰায় ১ লাখ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ তিনিটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি এই কথা প্ৰকাশ কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে আজি পুৱা চাৰে ১০ বজাত আধাৰশিলা স্থাপন কৰা আন দুটা প্ৰস্তাৱিত প্ৰকল্প গুজৰাটৰ ধোলেৰা আৰু সানন্দত নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয় যে, উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য, দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ সৈতে সংযুক্ত হোৱাৰ বাবে সূদৃঢ় হৈ উঠিছে আৰু অঞ্চলটোত এনে

ধৰণৰ উদ্যোগ স্থাপনৰ বাবে পূৰ্বতে কোনেও ভবা নাছিল। তেওঁ কয় যে, বিশ্বই কোৱিড মহামাৰীৰ পাছত নিৰ্ভৰযোগ্য আৰু স্থিতিস্থাপক গুণ সম্পন্ন গোলকীয় যোগান শৃংখলা অংশীদাৰৰ অন্বেষণত ব্ৰতী হৈছে আৰু এনে সময়ত ভাৰতে চেমিকনডাক্টৰৰ দৰে উদীয়মান খণ্ডসমূহত নিজকে গোলকীয় নেতা হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। চিপ নিৰ্মাণে ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীলতা আৰু আধুনিকতাৰ দিশে লৈ যাব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে চিপ নিৰ্মাণৰ ফলত দেশৰ দ্ৰুত প্ৰগতিৰ সৈতে বিশ্বাসী হৈ উঠা দেশৰ যুৱ প্ৰজন্মৰ বাবে অগণন সম্ভাৱনা মুকলি হ'ব। দেশত বিদেশী বিনিয়োগক উৎসাহিত কৰাৰ বাবে বৰ্তমান চৰকাৰে চলোৱা ব্যাপক প্ৰচেষ্টাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰে ব্যৱসায় সূচল কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে আৰু ৪০ হাজাৰৰো অধিক পুৰণি বাধ্যবাধকতাৰ অৱসান ঘটাইছে। টাটা ইলেক্ট্ৰনিকছ প্ৰাইভেট লিমিটেডৰ উদ্যোগত পৰৱৰ্তী ১০০ দিনৰ ভিতৰত এই প্ৰকল্পটোৰ ছেমি কণ্ডাক্টৰ ইউনিটটোৰ নিৰ্মাণকাৰ্য আৰম্ভ হ'ব।

উল্লেখযোগ্য যে, জাগীৰোডৰ হিন্দুস্তান কাগজ নিগমৰ অধীনস্থ পূৰ্বৰ নগাঁও কাগজ কল চৌহদত ২৭ হাজাৰ কোটি টকা ব্যয়েৰে স্থাপন কৰিবলগীয়া এই ছেমি কণ্ডাক্টৰ প্ৰকল্পটো হ'ব উত্তৰ-পূৰ্বাঞ্চলত ব্যক্তিগত খণ্ডৰ সৰ্ববৃহৎ পৰিমাণৰ পুঁজি ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্প। উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগ জগতৰ এটা মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'বলগীয়া এই প্ৰকল্পটোৰ প্ৰতিদিনে ৪ কোটি ৮০ লাখ চিপ প্ৰস্তুত কৰাৰ সামৰ্থ থাকিব বুলি জানিবলৈ পৰা গৈছে।

আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে **ইণ্ডিয়াজ টেকেড** শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰি দেশৰ যুৱ সম্প্ৰদায়ক সম্বোধন কৰে। এই ব্যৱস্থাৰ জৰিয়তে যুৱ চামৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। এই কাৰ্যসূচীত দেশৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি, এন আই টি, আই আই এম আদিকে ধৰি এহেজাৰ ৮১৪ টা প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০

ভাৰত আৰু মৰিচাছে ৪ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি বিত্তীয় সেৱা, অসামৰিক সেৱা, কৰ আৰু তদন্তকাৰী সংস্থাৰ দৰে খণ্ডসমূহত নিজৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি মৰিচাছৰ ৰাষ্ট্ৰীয় বিধানসভাত ভাৰত আৰু মৰিচাছৰ মাজত প্ৰতিনিধি দল পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জুগনৌঠ বৈঠকত উপস্থিত থাকে। এই বৈঠকতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জুগনৌঠে ভাৰতৰ সাহায্যৰে নিৰ্মাণ কৰা ১৪টা বিশেষ প্ৰকল্প বৈদ্যুতিন মাধ্যমেৰে যুটীয়াভাৱে মুকলি কৰে। ইয়াৰোপৰি দুয়োগৰাকী নেতাই ভাৰতৰ পুঁজিৰে নিৰ্মাণ হবলগীয়া নতুন ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰৰ আধাৰশিলাও বৈদ্যুতিন মাধ্যমেৰে স্থাপন কৰে।

চৰকাৰী ভ্ৰমণসূচীৰ আজি তৃতীয় তথা অন্তিম দিনা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আপ্ৰৱাসীঘাট আৰু আন্তঃমহাদেশীয় দাসত্ব সংগ্ৰহালয় পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে এই সংগ্ৰহালয়ে মৰিচাছৰ ঔপনিবেশিক অৰ্থনীতি আৰু সমাজলৈ লাখ লাখ আফ্ৰিকীয় আৰু এছিয় দাসৰ অৱদানৰ স্মৃতি চাৰণ কৰে। তাৰ পাছতে ৰাষ্ট্ৰপতিগৰাকীয়ে পৱিত্ৰ গংগা তালাও পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে মহাশিৱৰাত্ৰিৰ সময়ছোৱাত বিভিন্ন দেশৰ প্ৰায় ৪ লাখ ভক্তই এই গংগা তালাওলৈ গৈ মহাদেৱৰ আৰাধনা কৰে।

উল্লেখযোগ্য যে, ১৯৪৮ চনৰ পৰাই ভাৰত আৰু মৰিচাছৰ মাজত ঘনিষ্ঠ দ্বিপাক্ষিক সম্পৰ্কই সামুদ্ৰিক সুৰক্ষা আৰু সামৰ্থ বিকাশৰ ক্ষেত্ৰত সহযোগিতাৰ নতুন মাত্ৰা স্থাপন কৰিছে। অৰ্থনৈতিক সহযোগিতাও

ভাৰত-মৰিচাছৰ সম্পৰ্কৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ এইবাৰৰ ভ্ৰমণসূচীয়ে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কক এটা নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি নতুন দিল্লীত আকাশবাণী বাতৰি আৰু দূৰদৰ্শন বাতৰিৰ ন ৰূপত সজাই তোলা ৱেবছাইট মুকলি কৰে। শ্ৰীঠাকুৰে লগতে নিউজ অন এ আই আৰ এপত নতুন সংস্কৰণো উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰচাৰৰ বাবে উমৈহতীয়া দৃশ্য-শ্ৰব্য মঞ্চ পি বি ছব্দও মুকলি কৰে। এই উপলক্ষে শ্ৰীঠাকুৰে কয় যে ৰাজহুৱা সম্প্ৰচাৰ প্ৰতিষ্ঠান দূৰদৰ্শন আৰু আকাশবাণীয়ে বছৰ বছৰ ধৰি সেৱা আগবঢ়াই আহিছে। প্ৰতিষ্ঠান দুটাই নিজৰ নেটৱৰ্কৰ মাধ্যমেৰে দেশৰ প্ৰতিটো অংশৰ স্থানীয় ভাষাৰ প্ৰসাৰত অৰিহণা যোগাই আহিছে আৰু সমাজৰ একেবাৰে শেষৰজন ব্যক্তিলৈ তথ্য যোগান ধৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে প্ৰসাৰ ভাৰতী এতিয়া বাতৰি প্ৰতিষ্ঠানসমূহক ভিন ভিন ভাষাত ভিডিঅ', অডিঅ', ফটো আৰু প্ৰথম সামগ্ৰী উপলব্ধ কৰাবলৈ সাজু হৈছে। মন্ত্ৰীগৰাকীয়ে ইয়াক এটা বৈপ্লৱিক পদক্ষেপ বুলি অভিহিত কৰে। তেওঁ কয় যে যোৱা ৮ দশক ধৰি আকাশবাণীয়ে তথ্যৰ প্ৰচাৰৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কোৱিড মহামাৰীৰ সময়ছোৱাত আকাশবাণীৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেঁও নিউজ অন এ আই আৰ এপ চৰকাৰী আঁচনিৰ বাতৰি আৰু তথ্য লাভৰ বাবে এটা শক্তিশালী আহিলা বুলি অভিহিত কৰে।

তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজুয়ে অনুষ্ঠানত অংশ গ্ৰহণ কৰি কয় যে, বাতৰি কাকত আৰু বাতৰি নেটৱৰ্কসমূহ সদায় বিভিন্ন উৎসৰ ওপৰত নিৰ্ভৰশীল। প্ৰসাৰ ভাৰতীৰ ছব্দ মঞ্চ, নতুন ৰূপত সজাই তোলা ৱেবছাইট আৰু এপ, বাতৰি প্ৰতিষ্ঠান আৰু জনসাধাৰণলৈ তথ্য যোগানৰ ক্ষেত্ৰত লাভদায়ক হব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooo

ভাৰতীয় জনতা পাৰ্টীয়ে অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে মুক্ত' সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে উপ-মুখ্যমন্ত্ৰী চাওনা মেইনে ছাওখাম আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। বিধানসভাৰ অধ্যক্ষ পাছান দৰ্জী চ'নাই মেচুকা আসনৰ পৰা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী নিনং এৰিঙে পাছিঘাট পশ্চিম সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে বৰ্তমানৰ অৰুণাচল চৰকাৰৰ কাৰ্যকাল অহা ২ জুনত উকলি যাব। ইয়াৰ পৰিপ্ৰেক্ষিতত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ ৰাজ্যখনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooo

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণ এন এইচ এ আইয়ে পে টি এম ফাষ্টটেগ ব্যৱহাৰকাৰীসকলক ১৫ মাৰ্চৰ পূৰ্বে অন্য বেংকৰ ফাষ্টটেগলৈ স্থানান্তৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। পথ, পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে কৈছে যে, ইয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথেৰে আহ-যাহ কৰাৰ সময়ত জৰিমণা অথবা দ্বৈত মাচুলৰ পৰা হাত সাৰিব পৰা যাব। ভাৰতীয় ৰিজাৰ্ভ বেংকে পে টি এম ধনাদায় বেংকৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা অনুসৰি পে টি এম ফাষ্টটেগ ব্যৱহাৰকাৰীসকলক ১৫ মাৰ্চৰ পাছত ৰিচাৰ্জ অথবা টপ আপ কৰিব নোৱাৰিব। অৱশ্যে তেওঁলোকে নিজৰ জমা থকা ধনৰাশি ব্যৱহাৰ কৰিব পাৰিব।

ooo

দেলহী কেপিটেলছ কিছুসময়ৰ পাছত দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে যোৱা নিশা প্ৰতিযোগিতাৰ এখন খেলত যোৱাবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বেংগালুৰুৰ দলটো অষ্ট্ৰেলিয়াৰ অল ৰাউণ্ডাৰ পেৰীৰ অপৰাজিত ৪০ ৰানৰ সহায়ত ১৫ অভাৰতে ১১৪ ৰানত লক্ষ্যত উপনীত হয়।

০০০

ব্ৰিটেইনৰ বাৰ্মিংহামত চলি থকা অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপৰ পুৰুষৰ ছিংগলছত ভাৰতৰ লক্ষ্য সেন আৰু প্ৰিয়াংশু ৰাজাৱাটে কিছুসময়ৰ পূৰ্বে নিজ নিজ খেলত অৱতীৰ্ণ হৈছে।
আনহাতে, পুৰুষৰ ডাবলছত চিৰাগ ছেট্টী আৰু সাত্বিকছাইৰাজ ৰণকীৰেড্ডীৰ বিশ্বৰ শীৰ্ষ স্থানৰ ভাৰতীয় যুটিৰেও প্ৰতিযোগিতাখনত নিজৰ অভিযান আৰম্ভ কৰিব।

উল্লেখযোগ্য যে, পি ভি সিন্ধু ইতিমধ্যে মহিলাৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০

সমাপ্ত